অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্রসংগ ঃ এজবেক/০৯/০৮/২০২২-২৩
Ref :

তাৰিখ ঃ ২৩-১০-২০২২
Date :

# দুটা পৰ্য্যায়ত সমাপ্ত হ'ল এজবেকৰ কেন্দ্ৰীয় শিক্ষক প্ৰশিক্ষণ

**নুনমাটি, ২৩ অক্টৰ ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ দ্বাৰা আয়োজিত ২০২২ বৰ্ষৰ এজবেক শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী যোৱা ১৫-১৬ অক্ট'বৰ আৰু ২২-২৩ অক্ট'বৰত দুটা পৰ্য্যায়ত অনুষ্ঠিত হৈ যায়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়সমূহৰ শিক্ষকসকলৰ পাঠদানৰ গুণগত মান বৃদ্ধি কৰা তথা কৰ্মদক্ষতা সৃষ্টিৰ মানসেৰে প্ৰতি বছৰে আয়োজন কৰি অহা এই শিক্ষণ প্ৰশিক্ষণত ৰাজ্যখনৰ বিভিন্ন জিলাৰ সৰ্বমুঠ ১৫১ গৰাকী নিৰ্বাচিত শিক্ষকে প্ৰশিক্ষণ গ্ৰহণ কৰে। ১৫-১৬ অক্ট'বৰ তাৰিখে ইংৰাজী, সমাজ বিজ্ঞান আৰু গণিত বিভাগৰ শিক্ষক প্ৰশিক্ষণ আৰু ২২-২৩ অক্ট'বৰত হিন্দী, অসমীয়া আৰু বিজ্ঞান বিভাগৰ প্ৰশিক্ষণ সম্পন্ন হয়। লক্ষ্যণীয় যে এই বছৰৰ শিক্ষক প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলৰ মাজৰ পৰা যোগ্যতা ভিত্তিত নিৰ্বাচন কৰা শিক্ষকসকলে নিজ নিজ এলেকাৰ জাতীয় বিদ্যালয়সমূহত প্ৰশিক্ষণ প্ৰদান কৰিব। অৰ্থাৎ এইবাৰৰ প্ৰশিক্ষণ হৈছে 'প্ৰশিক্ষকৰ বাবে প্ৰশিক্ষণ'। ইংৰাজী বিভাগৰ প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অসম ৰে'লৱে হাইস্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অৰুণীমা দেৱী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী ভাষা শিক্ষণ (ইএলটি) বিভাগৰ মুৰব্বী ড° পদ্মিনী বৰুৱা, অধ্যাপক ড° খামছেং বৰুৱা, অসম মাধ্যমিক শিক্ষা পৰিষদৰ প্ৰাক্তন শৈক্ষিক বিষয়া সপোন দুৱৰা, অসম জাতীয় বিদ্যালয়ৰ ইংৰাজী বিভাগৰ শিক্ষক ডলী চৌধুৰী, প্ৰিয়ম শইকীয়া আৰু নৱস্মিতা দাস। গণিত বিভাগৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত সমল ব্যক্তি ৰূপে উপস্থিত থাকে অসম মাধ্যমিক শিক্ষা পৰিষদৰ অৱসৰপ্ৰাপ্ত শৈক্ষিক বিষয়া আৰতি ভট্টাচাৰ্য্য, মাৰিয়া পাব্লিক স্কুলৰ শিক্ষক ড° মুনীন্দ্ৰ কুমাৰ মজুমদাৰ, ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পাৰ্থ ফুকন মহন্ত, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ৰঞ্জনা চৌধুৰী, অসম মাধ্যমিক শিক্ষা পৰিষদৰ শৈক্ষিক বিষয়া ড° নিত্যজ্যোতি কলিতা, বি. বৰুৱা মহাবিদ্যালয়ৰ গণিত বিভাগৰ সহযোগী অধ্যাপিকা ড° অঞ্জনা ভট্টাচাৰ্য্য; আৰু অসম জাতীয় বিদ্যালয়ৰ গণিত বিভাগৰ শিক্ষক হিৰণ্য কলিতা আৰু গীতাঞ্জলী দেৱী। আনহাতে সমাজ বিজ্ঞান বিভাগৰ প্ৰশিক্ষণত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰীৰ অধ্যাপিকা বৰ্ণালী ভট্টাচাৰ্য্য; দিছপুৰ কলেজৰ অধ্যাপক ড° অজয় মিত্ৰ; কামৰূপ জিলাৰ ৰামপুৰ শিক্ষা খণ্ডৰ ব্লক ৰিচ'ৰ্ছ পাৰ্ছন তৃপ্তিময়ী তালুকদাৰ; জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মিৰ্জাৰ অধ্যাপক প্ৰশান্ত শইকীয়া; গুৱাহাটী মহাবিদ্যালয়ৰ ভূগোল বিষয়ৰ অধ্যাপক ড° ধ্ৰুৱজ্যোতি ৰাজবংশী; নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক জয়ন্ত বৰুৱা আৰু অসম জাতীয় বিদ্যালয়ৰ শিক্ষক সোণালী গগৈ, নিজৰা গোহাঁই আৰু অসীম কৃষ্ণ বৰুৱা। আনহাতে ২২ অক্ট'বৰ তাৰিখে অনুষ্ঠিত হিন্দী বিভাগৰ শিক্ষক প্ৰশিক্ষণত সমল ব্যক্তি ৰূপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ সহযোগী অধ্যাপক ড° ৰীতামণি বৈশ্য, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ সহকাৰী অধ্যাপক উদ্দিপ্ত তালুকদাৰ, গুৱাহাটী বিশ্বদ্যালয়ৰ হিন্দী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অচ্যুত শৰ্মা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক ড° গোলোক চন্দ্ৰ ডেকা। ২২ আৰু ২৩

অক্ট'বৰত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা অসমীয়া বিভাগৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত সমল ব্যক্তি ৰূপে উপস্থিত থাকে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° লক্ষী হাজৰিকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক ড° অনুৰাধা শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° দিলীপ ৰাজবংশী, অসম মাধ্যমিক শিক্ষা পৰিষদৰ শৈক্ষিক বিষয়া ৰঞ্জুমণি মহন্ত, শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান কোকৰাঝাৰৰ জ্যেষ্ঠ প্ৰবক্তা ড° হিমালিনী বেজবৰুৱা, পাণ্ডু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল তালুকদাৰ, অসম জাতীয় বিদ্যালয়ৰ শিক্ষক কবিতা পাটগিৰি আৰু পল্লৱী গোস্বামী। বিজ্ঞান বিভাগৰ শিক্ষক প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বেছিক ট্ৰেইনিং চেণ্টাৰ, নলবাৰীৰ অধ্যক্ষ কিশোৰ কুমাৰ দাস, আইআইটি গুৱাহাটীৰ পদাৰ্থ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ কাৰিকৰী বিষয়া ড° চিদানন্দ শৰ্মা, আদিত্য কলিতা আৰু লোকেশ চক্ৰৱৰ্তী; জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান নলবাৰীৰ অধ্যাপক ৰাকেশ নাথ, তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ কাৰিকৰী বিষয়া ড° কিশোৰ কুমাৰ বৰুৱা, অসম জাতীয় বিদ্যালয়ৰ শিক্ষক ড° উমাচৰণ শৰ্মা আৰু উদয়া ফুকন। এজবেক শিক্ষক প্ৰশিক্ষণৰ সামগ্ৰিক দায়িত্বত আছিল এজবেক শিক্ষক প্ৰশিক্ষণৰ সমন্বয়ক তথা ইংৰাজী বিভাগৰ জ্যেষ্ঠ শিক্ষক অপৰাজিতা দত্ত।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ